৩/ ভট্টদেৱৰ গদ্যৰীতি / গদ্যশৈলী - এক আলোচনা

→ শংকৰসূৰ্যই নানাবিধ ৰশ্মিজালেৰে অসমীয়া সাহিত্য জগতত কাব্যিক দিশ উদ্ভাসিত কৰি তোলাৰ প্ৰায় ১০০ বছৰ পিছত উদয় হয় আন এক প্ৰভাকৰৰ তেঁৱেই হ'ল ~~শংকো~~ শংকৰোত্তৰ যুগৰ বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱ। তেঁওৰ প্ৰতিভাৰে ভাস্বিত হৈ উঠে অসমীয়া গদ্য সাহিত্য। পোন প্ৰথমে, মহাপুৰুষ শংকৰদেৱে তেওঁৰ অংকীয়া নাটৰ সূত্ৰধাৰ আৰু নাটকীয় চৰিত্ৰৰ মুখত গদ্যৰ প্ৰয়োগ ঘটাই যুগান্তৰ আনয়নৰ প্ৰচেষ্টা চলালেও সম্পূৰ্ণকৈ এখোনহি গ্ৰন্থ গদ্যত ৰচনা কৰাৰ গৌৰৱৰ ভাগী হ'ল ভট্টদেৱহে। দৰাচলতে, তেঁওৰ হাততেই অসমীয়া গদ্যৰ শুভাৰম্ভ হয়।

তিনিখন অতি প্ৰসিদ্ধ, পবিত্ৰ আৰু তত্ত্বপ্ৰধান সংস্কৃত শাস্ত্ৰ অসমীয়া গদ্যলৈ ৰূপান্তৰ কৰি ভট্টদেৱে অসমীয়া ভাষাক উচ্চ মৰ্যাদা দান কৰাৰ লগে লগে তত্ত্বগধুৰ ভাৱপ্ৰকাশৰ সহজ বাহনৰূপে অসমীয়া গদ্যভাষাক স্থান দিয়ে। গীতা, ৰত্নাৱলী আৰু কথা-ভাগৱত - তিনিখনেই ভাৱগধুৰ গ্ৰন্থ; এই শাস্ত্ৰ তিনিখন অসমীয়ালৈ অনুবাদ কৰি

ভট্টদেৱে অসমীয়া গদ্য ভাষাৰ প্ৰকাশিকা শক্তিৰ পৰিচয় দিছে। *

ভট্টদেৱৰ গদ্যৰ প্ৰসংগত পণ্ডিতসকলে মন্তব্য কৰিছে যে তেওঁৰ ভাষা এই কাৰণেই অধিক সংস্কৃত-ঘেঁষী কাৰণ তেওঁৰ বিষয়বস্তু জটিল আধ্যাত্মিক তত্ত্বৰ আৰু এই পুথিবোৰ বৈষ্ণৱ সমাজৰ আটাইতকৈ সমাদৃত হলে পুথিৰ বিষয় অসমীয়াত কথিত ভাষাৰে বা কথ্য যোজনা আদিৰে প্ৰকাশ কৰা অসম্ভৱ আৰু এনে কৰিলে এই পুথিৰ প্ৰতি জনসাধাৰণৰ পবিত্ৰতাৰ ভাব কমিব পাৰে। সেয়ে কীৰ্তন, দশমতকৈও সুগম কৰি শ্ৰী-শূদ্ৰ বুজিব পৰাকৈ তেওঁ ভাগৱতৰ কথা প্ৰকাশ কৰিছে এইদৰে —

॥ পূৰ্বে মহাপুৰুষে কৰিলা দশমস্কন্ধ ।
কীৰ্তন ভটিমা ছবি দুলড়ী সুছন্দ ॥
তাত কৰি সুগম কৰিয়ো ভাগৱত।
শ্ৰীশূদ্ৰ অল্পলোকে বুজে যেন মত॥

এনেক্ষেত্ৰত তেওঁ ঘৰুৱা কথাশৈলীৰ হে অধিক ওচৰ চপাৰ সম্ভাৱনা। কিন্তু, তেওঁৰ ওচৰত পূৰ্বৰ কোনো উদাহৰণ নথকাত আৰু অসমীয়া নাটৰ গদ্য

বহু পৰিমাণে সংস্কৃতমুখী হৈয়ো তেওঁ এনে পথকে অনুসৰণ কৰিছে। তথাপি যিমান সম্ভৱ তেওঁ গোটেই বিষয়বস্তুটোকে অভিজ্ঞতা আৰু অনুভূতিৰ দৃঢ়তাৰে ভৰাই তুলিব বিচাৰিছে- ইয়াতেই তেওঁৰ সাৰ্থকতা।

ভট্টদেৱৰ ভাষা আৰু কথাশৈলীৰ বিষয়ে আলোচনা কৰিবলৈ গৈ ড° বাণীকান্ত কাকতিদেৱে কৈছে — "ইমান দিনৰ আগতে কথাশৈলীৰ নিদৰ্শন দাঙি ধৰাৰ বাবে আদৰণীয় হলেও এই কথানুবাদটি ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা চালে বিশেষত্ব প্ৰায় নোহোৱাৰ দৰে। শব্দচয়ন সংস্কৃতীয়া শব্দেৰে ভাৰাক্ৰান্ত আৰু ভাষাটোও মাজে সময়ে কথ্যৰূপক বাট এৰি দিয়া গদ্য লেখক সকলৰ ভাষাতকৈ বহুত গুণে কম ধৰুৱা। ক্ৰিয়াকৰণিক ৰূপ সমূহেও আধুনিকতাৰ কালে সৰলীভূত হোৱা নেদেখুৱায়। গতিকেই এই গদ্যই তৎকালীন কথিত ভাষাৰ কোনো ধাৰণা নিদিয়ে।"

ভট্টদেৱৰ গদ্যশৈলীৰ কেইটামান বৈশিষ্ট্য হ'ল →

ক) ভট্টদেৱৰ গদ্যৰ ভাষা গুৰু গম্ভীৰ আৰু ভাষা ছুটি ছুটি বাক্যৰ সহায়ত গধুৰ বিষয়বস্তু বুজোৱাত ৰচনা-

গীতিয়ে অভিনৱত্ব লাভ কৰিছে। যেনে →

" ওকে কৰন্ত : জানা বাজা ; শ্ৰী কৃষ্ণৰ কথা থাকোক"

খ) চিত্ৰধৰ্মিতা ভট্টদেৱৰ কথা-শৈলীৰ এটি উল্লেখ-যোগ্য বৈশিষ্ট্য। ৰূপক, উপমা প্ৰভৃতিৰ সঘন প্ৰয়োগে চিত্ৰধৰ্মিতাক গতিশীল কৰি তোলাৰ লগতে জটিল দাৰ্শনিক তত্ত্বক সহজবোধ্য কৰি তুলিছে।

" হৰি কথা নুশুনিলে দুয়ো কৰ্ণ গৰ্ত সম :
হৰি নাম নলৈলে বেঙৰ জিহ্বাসম জিহ্বা।"

গ) ভট্টদেৱৰ কথা-শৈলীৰ আন এক উল্লেখনীয় বৈশিষ্ট্য হ'ল - ভাগৱতৰ কাব্যিকতা। ~~ভাগৱত~~ ভগৱৎ ভক্তিৰ আৱেগময় ধৰ্ম এই শাস্ত্ৰখনৰ মাজেৰে বিবৃত হৈছে। যেনে -

"শ্যাম সুন্দৰ : পীতাম্বৰ : প্ৰসন্ন বদন : কমল নয়ন"

ঘ) তৎসম শব্দৰ মাজে মাজে অসমীয়া ঘৰুৱা শব্দ আৰু জতুৱা ঠাঁচৰ সুপ্ৰয়োগ কবিজনৰ কথাশৈলীৰ আন এক বৈশিষ্ট্য। যেনে -

তেমনে পৃথিৱীত ওৱালি পৰুৱা : বেঙ চুটা সেমল তুল দেখা দিলে।

ঙ) গদ্য ৰচনাত সচেতনভাৱে ছন্দ প্ৰয়োগ নিশ্চয়কৈ আমনিদায়ক কথা। কিন্তু, সেই ছন্দ যদি স্বতঃস্ফূৰ্ত হয় তেন্তে পাঠক তেনে গদ্যৰীতিৰ প্ৰতি আকৰ্ষিত হয়। এই ক্ষেত্ৰত ভট্টদেৱৰ দক্ষতা অতুলনীয়। তেওঁৰ গদ্যৰীতিৰ মাজে মাজে যি ছন্দৰ হিল্লোল অনুভৱ হয়, সি আমনিদায়ক নহৈ আকৰ্ষণীয় হৈ উঠিছে।

চ) দৈনন্দিন কথা বাৰ্তা ব্যৱহৃত শব্দবোৰৰ সলনি কথ্যভাষাৰ এটা পৰিমাৰ্জিত ৰূপ ব্যৱহাৰ কৰিছে।

ছ) অসমাপিকা ক্ৰিয়াৰ যথাৰ্থ প্ৰয়োগৰ সহায়ত কেইবাটাও চুটি বাক্য সংযোগ কৰি এলেটা দীঘল বাক্য সৃষ্টি কৰাটো ভট্টদেৱী গদ্যৰ আন এক বৈশিষ্ট্য।

জ) মিতব্যয়ী ভাষাৰে অনেক কথা প্ৰকাশ কৰিব পৰা সামৰ্থ ভট্টদেৱৰ আছে।

শেষত কব পাৰি যে, ভট্টদেৱৰ গদ্যগ্ৰন্থ তিনিওখনি অধ্যয়ন কৰিলে দেখা যায় যে শ্ৰীভাগৱত কথাতকৈ শ্ৰী গীতা কথাৰ ৰচনাহে বেছি প্ৰাঞ্জল আৰু মধুৰ। শ্ৰীভাগৱত কথাত দুৰ্বল ৰূপ, শ্ৰী গীতা কথাত বিকশিত ৰূপ আৰু শ্ৰী ভক্তি ৰত্নাৱলীত কথাত দুইটিৰে মধ্যম ৰূপ দেখা যায়।

এনেদৰে দেখা যায় যে, ভট্টদেৱে গদ্য-ভাষা সফল ভাৱে ব্যৱহাৰ কৰে। অসমীয়া কথা সাহিত্যৰ ইতিহাসত ভট্টদেৱৰ গদ্যভংগী প্ৰধান মাইলৰ খুঁটি হিচাপে চিৰকাল চিহ্নিত হৈ ৰ'ব।

---

৪) চৰিত পুথিৰ পৰিচয় দি পাঠ্য লিখা চৰিত পুথিৰ ... আলোচনা যুগুত কৰা